Political Theory

~~Q. অমাত্য লেনক নেতিবাচক স্ব~~

Q. জন লকৰ নেতিবাচক স্বাধীনতাৰ ধাৰণাটো আলোচনা কৰা ।

Ans:- জন লক আধুনিক ৰাজনৈতিক দৰ্শনৰ এজন গুৰুত্বপূৰ্ণ চিন্তাবিদ । তেওঁ উদাৰবাদ, গণতন্ত্ৰ আৰু সাংবিধানিক চৰকাৰৰ ভেটি স্থাপন কৰে । তেওঁৰ স্বাধীনতাৰ ধাৰণাটো মূলতঃ নেতিবাচক বুলি জনা যায় । নেতিবাচক স্বাধীনতা হৈছে আনৰ হস্তক্ষেপৰ পৰা মুক্তি । অৰ্থাৎ ব্যক্তি এজন তেতিয়াহে স্বাধীন হয় যেতিয়া তেওঁৰ জীৱন, স্বাধীনতা আৰু সম্পত্তি চৰকাৰ বা আন কোনো শক্তিৰ হস্তক্ষেপ নাথাকে ।

লকৰ মতে মানুহে চৰকাৰ গঠন কৰা আগতে মানুহে প্ৰাকৃতিক অৱস্থাত বাস কৰিছিল । এই অৱস্থাত সকলো মানুহেই স্বতন্ত্ৰ আৰু সমান । মানুহৰ জন্মগত কিছুমান অধিকাৰ আছে, যাক তেওঁ প্ৰাকৃতিক অধিকাৰ বুলিছিল । সেইবোৰ হৈছে — i) জীৱনৰ অধিকাৰ, ii) স্বাধীনতাৰ অধিকাৰ আৰু iii) সম্পত্তিৰ অধিকাৰ ।

এই অধিকাৰবোৰ চৰকাৰে দিয়া নহয়, ই মানুহৰ জন্মগত অধিকাৰ, সেয়ে চৰকাৰৰ মূল লক্ষ্য ~~কৰ্তব্য~~ হৈছে এই অধিকাৰসমূহ ৰক্ষা কৰা । ইয়াতেই নেতিবাচক স্বাধীনতাৰ মূল কথা প্ৰকাশ পোৱা দেখা যায় যে চৰকাৰে ব্যক্তিৰ অধিকাৰত হস্তক্ষেপ কৰিব নোৱাৰে ।

প্ৰাকৃতিক অৱস্থাত যদিও মানুহ স্বাধীন আছিল তথাপি নিৰাপত্তাৰ অভাৱ আছিল। এই সমস্যাৰ সমাধানৰ বাবে মানুহে সামাজিক চুক্তিৰ জৰিয়তে চৰকাৰ গঠন কৰিলে। লকৰ মতে চৰকাৰৰ ক্ষমতা সীমিত হʼব লাগিব। যদি চৰকাৰে স্বেচ্ছাচাৰী হৈ উঠে আৰু মানুহৰ অধিকাৰ লংঘন কৰে তেনেহʼলে জনসাধাৰণৰ বিদ্ৰোহ কৰাৰ অধিকাৰ আছে। সেয়ে লকৰ মতে স্বাধীনতা মানে হʼল চৰকাৰৰ অনুচিত হস্তক্ষেপৰ পৰা সুৰক্ষা। এই ধাৰণাই সাংবিধানিক চৰকাৰ, আইনৰ শাসন আৰু গণতন্ত্ৰৰ বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে।

লকে সম্পত্তিৰ ওপৰত বিশেষ গুৰুত্ব প্ৰদান কৰে। তেওঁৰ মতে মানুহে নিজৰ পৰিশ্ৰমৰ জৰিয়তে সম্পত্তি সৃষ্টি কৰে। সম্পত্তি ব্যক্তিগত স্বাধীনতাৰ অংশ। সেয়েহে চৰকাৰে ব্যক্তিগত সম্পত্তিত অযৌক্তিকভাৱে হস্তক্ষেপ কৰিব নোৱাৰে।

লকৰ নেতিবাচক স্বাধীনতাৰ ধাৰণাৰ কিছুমান সীমাবদ্ধতা আছে —

i) ই কেৱল আইনী আৰু ৰাজনৈতিক স্বাধীনতাক গুৰুত্ব দিয়ে।

ii) সামাজিক আৰু অৰ্থনৈতিক বৈষম্যৰ বিষয়ে ই যথেষ্ট আলোচনা নকৰে।

iii) এজন দৰিদ্ৰ ব্যক্তি আইনীভাৱে স্বাধীন হʼলেও বাস্তৱ জীৱনত সুযোগ নাপাবও পাৰে।